আঞ্চলিক দলৰ উদ্ভৱৰ কাৰণ:-

আঞ্চলিক দলৰ অস্তিত্ব ভাৰতীয় দলীয় ব্যৱস্থাৰ এটি অন্যতম বৈশিষ্ট্য| বৰ্তমান ভাৰতৰ বিভিন্ন ৰাজ্যত বিভিন্ন আঞ্চলিক ৰাজনৈতিক দল দেখা যায়| আঞ্চলিক দল বিলাকক দুটা ভাগত ভাগ কৰিব পাৰি| প্ৰথমতে, কিছুমান ৰাজনৈতিক দল আছে যিবিলাকৰ সৰ্বভাৰতীয় দৃষ্টিভংগী থকা সত্বেও সৰ্বভাৰতীয় সংগঠন আৰু গোটেই দেশত জনসমৰ্থন নথকাৰ বাবে সেইবিলাকক আঞ্চলিক দল হিচাপে গণ্য কৰা হয়| যেনে-ফৰৱাৰ্ড ব্লক, বিপ্লৱী সমাজতান্ত্ৰিক দল, ছ'ছিয়েলিষ্ট ইউনিটি চেণ্টাৰ ইত্যাদি এনেধৰণৰ আঞ্চলিক দল| দ্বিতীয়তে, কিছুমান দল আছে যিবিলাক আঞ্চলিক দল হিচাপেই প্ৰতিষ্ঠিত আৰু আঞ্চলিক স্বাৰ্থ আৰু সমস্যা, আঞ্চলিক ভাষা, আঞ্চলিক গোষ্ঠীৰ ধৰ্ম ইত্যাদি লৈ সক্ৰিয়| যেনে-কেৰেলা কংগ্ৰেছ, তামিলনাডুৰ ডি.এম.কে, এ.ডি.এম.কে, উত্তৰ প্ৰদেশত সমাজবাদী দল, জম্মু আৰু কাশ্মীৰৰ নেচনেল কনফাৰেন্স, মহাৰাষ্ট্ৰত শিৱসেনা, পঞ্জাৱৰ শিৰোমণি আকালি দল, উড়িষ্যাত বিজু জনতা দল, অন্ধ্ৰৰ তেলেগু দশম, তেলেংগানা কংগ্ৰেছ, মিজোৰামৰ মিজো নেচনেল ফ্ৰণ্ট, অসমৰ অসম গণ পৰিষদ, বিহাৰৰ ৰাষ্ট্ৰীয় জনতা দল, পশ্চিমবংগত তৃণমুল কংগ্ৰেছ, গোৰ্খা লীগ, মেঘালয়ৰ পাৰ্বত্য নেতা সন্মিলন, পিপলচ্ কাউন্সিল আদিৰ নাম উল্লেখ কৰিব পাৰি| আঞ্চলিক দলৰ সৃষ্টিৰ কাৰণে সৰ্বভাৰতীয় ৰাজনৈতিক দলসমুহকো দায়ী কৰিব পাৰি| আঞ্চলিক দলৰ সৃষ্টিৰ কাৰণ সমুহ তলত উল্লেখ কৰা হ'ল-

১) সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বৈষম্যমুলক নীতি:-সৰ্বভাৰতীয় ৰাজনৈতিক দলসমুহৰ বৈষম্যমুলক নীতিকো আঞ্চলিক দলৰ সৃষ্টিৰ কাৰণে লাভ কৰিব পাৰি| আঞ্চলিক দলৰ সৃষ্টিৰ ইতিহাস বেছিদিনীয়া নহয়| স্বাধীনতা লাভৰ সময়ৰ পৰা প্ৰায় ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়লৈ সৰ্বভাৰতীয় দলেই দেশত প্ৰতিপত্তি লাভ কৰি আছিল| দেশৰ অন্যতম ৰাজনৈতিক দল কংগ্ৰেছ অপ্ৰতিদ্বন্দ্বী হিচাপে দেশৰ শাসন পৰিচালনা কৰি আছিল| এই সময়ছোৱাৰ ভিতৰত দেশৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ উন্নয়ন মুলক কাম কৰা হৈছিল যদিও কিছুমান অঞ্চলৰ উন্নতিৰ কাৰণে চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাছিল| পিছপৰা এনে অঞ্চলসমুহৰ প্ৰতি সুবিচাৰ নকৰাৰ অজুহাতত এনে অঞ্চলবোৰত সময়ৰ সোঁতত ৰাজনৈতিক দলৰ সৃষ্টি হয়| যোগাযোগ, যাতায়ত আৰু শিক্ষাৰ প্ৰসাৰণে মানুহক ৰাজনৈতিক ভাৱে সচেতন কৰি তোলে| ৰাজনৈতিকভাৱে সচেতন নাগৰিক কিছুমানে সৰ্বভাৰতীয় ৰাজনৈতিক দলে সৃষ্টি কৰা বৈষম্যৰ প্ৰতিবাদস্বৰুপে আঞ্চলিক ভিত্তিত ৰাজনৈতিক দলৰ সৃষ্টি কৰে| এনেদৰে ভাৰতৰ ৰাজনীতিত আঞ্চলিক ৰাজনৈতিক দলৰ সৃষ্টি হয়|

২) ৰাজ্যিক নেতাৰ দুৰ্বলতা:-ৰাজ্যিক নেতাসকলৰ দুৰ্বলতাকো আঞ্চলিক দলৰ সৃষ্টিৰ কাৰণে জগৰীয়া কৰিব পাৰি| ৰাজ্যৰ সকলো অঞ্চলৰ উন্নতিৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা উচিত| কেতিয়াবা কেতিয়াবা ৰাজ্যৰ নেতৃস্থানীয় ব্যক্তি সকলে দলীয় শৃংখলাৰ কাৰণে হওক নাইবা নিজৰ দুৰ্বলতাৰ কাৰণে হওক ৰাজ্যৰ উচিত দাবীসমুহো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাঙি ধৰিব নোৱাৰে| ফলত কোনো অঞ্চলৰ প্ৰগতি খৰতকীয়া হয় আৰু আন কোনো অঞ্চল পিছ পৰি থাকে| পিছপৰা এনে অঞ্চলৰ ৰাজনৈতিকভাৱে সচেনত লোকে ৰাজনৈতিক দলৰ সৃষ্টি কৰি ৰাজ্যৰ শাসনৰ দায়িত্ব ল'বলৈ চেষ্টা কৰে| ফলত আঞ্চলিক ৰাজনৈতিক দলৰ সৃষ্টি হয়|

৩) ভাষা-সংস্কৃতি ৰক্ষা:-কেতিয়াবা কেতিয়াবা ভাষাৰ ভিত্তিতো আঞ্চলিক দলৰ সৃষ্টি হোৱা দেখা যায়| গোৰ্খা লীগ, ডি-এম-কে, এ-আই-ডি-এম-কে আদি দল ভাষাৰ ভিত্তিত সৃষ্টি হোৱা বুলি ক'ব পাৰি| নেপালী ভাষাক সংবিধানৰ অষ্টম অনুসুচীত অন্তৰ্ভুক্ত কৰাৰ দাবীক কেন্দ্ৰ কৰিয়ে গোৰ্খা লীগৰ সৃষ্টি হয়| ইয়াৰ উপৰিও পাৰ্বত্য অঞ্চলৰ উন্নতিৰ কাৰণেও এই লীগে দাবী উত্থাপন কৰে| লাহে লাহে গোৰ্খা ৰাজ্য স্থাপনৰ দাবী উত্থাপন কৰে| এনেদৰে গোৰ্খা লীগে ৰাজনীতিত প্ৰৱেশ কৰি দাৰ্জিলিং অঞ্চল স্বায়ত্ব শাসনৰ সুবিধা লাভ কৰে| সেইদৰে হিন্দু বিৰোধী মনোভাৱৰ ফলশ্ৰুতহিচাপে ডি-এম-কে আৰু এ-আই-ডি-এম-কেৰ লগত বুজাপৰাত উপনীত হৈছিল| ইয়াৰ পৰা সহজতে অনুমান কৰিব পাৰি যে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ অসহযোগিতাইও আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰভাৱ বিস্তাৰ কৰাত সহায় কৰে|

৪) সাম্প্ৰদায়িক স্বাৰ্থ ৰক্ষা:-সাম্প্ৰদায়িক স্বাৰ্থৰক্ষাৰ কাৰণেও কেতিয়াবা কেতিয়াবা আঞ্চলিক ৰাজনৈতিক দলৰ সৃষ্টি হোৱা দেখা যায়| সাম্প্ৰদায়িক স্বাৰ্থৰক্ষাৰ কাৰণে সৰ্বভাৰতীয় দল গঠন হোৱাৰ উদাহৰণ নোহোৱা নহয়|

মুছলিম সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ কাৰণে মুছলীম লীগৰ সৃষ্টি হৈছিল| সেইদৰে কেৰেলাৰ মুছলীম লীগকো সাম্প্ৰদায়িক নীতিৰ ভিত্তিত সৃষ্টি হোৱা দল বুলি কব পাৰি| পঞ্জাৱৰ এই দলকো এই শ্ৰেণীৰ দলত স্থান দিব পাৰি| সেইদৰে তেলেগু সম্প্ৰদায়ৰ ভাষা-সংস্কৃতি ৰক্ষাৰ কাৰণে তেলেগু দেশমৰ সৃষ্টি হৈছিল| বড়ো সকলৰ স্বাৰ্থৰক্ষাৰ কাৰণে পি-টি-চিৰ সৃষ্টি হৈছে|

৫) জাতীয় সমস্যা:-কেতিয়াবা কেতিয়াবা জাতীয় সমস্যা সমাধানত চৰকাৰৰ বিফলতাইও আঞ্চলিক দলৰ সৃষ্টিত অৰিহণা যোগায়| অসমৰ পৰা বিদেশী বহিস্কাৰৰ দাবীত অসমৰ ছাত্ৰ সমাজে আন্দোলন চলাব লগা হৈছিল| এই আন্দোলনৰ ফলশ্ৰুতি হিচাপে সৃষ্টি হৈছিল অসম গণ পৰিষদ নামৰ আঞ্চলিক ৰাজনৈতিক দলৰ| নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি এই দলে চৰকাৰ গঠনৰ সুবিধাও পাইছিল|ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ভাষা-সংস্কৃতিৰ ৰক্ষা, সাম্প্ৰদায়িক স্বাৰ্থ ৰক্ষা, জাতীয় সমস্যাৰ সমাধান, সৰ্বভাৰতীয় ৰাজনৈতিক দল সমুহৰ আঞ্চলিক স্বাৰ্থৰ প্ৰতি বৈষম্যমুলক আচৰণ আদি বিভিন্ন কাৰণত আঞ্চলিক দলৰ সৃষ্টি হোৱা দেখা যায়|

----------------_--------------------------_---------------------------------------;-

আঞ্চলিক দলৰ সমস্যা:-

ভাৰতৰ বিভিন্ন অঞ্চলত আঞ্চলিক দলৰ সৃষ্টি হোৱা দেখা যায় যদিও তামিলনাডুৰ বাহিৰে বাকী অঞ্চলত এই দলসমুহে কৃতকাৰ্যতা লাভ কৰা দেখা নাযায়| তেলেগু দেশমে অন্ধ্ৰত শাসনৰ দায়িত্ব বহন কৰিছিল, কিন্তু এই শাসন দীৰ্ঘদিনীয়া হোৱা নাই| অসমত অসম গণ পৰিষদে যোৱা সাধাৰণ নিৰ্বাচনত চৰকাৰ গঠনৰ সুবিধা পোৱা নাই| বৰ্তমানে তামিলনাডুত এ-আই-ডি-এম-কে, অন্ধ্ৰত তেলেগু দেশম আৰু উড়িষ্যাত বিজু জনতা দলে শাসনৰ দায়িত্ব বহন কৰি আছে| ভাৰতৰ কেন্দ্ৰীকৰণ ব্যৱস্থাত ৰাজ্যচৰকাৰ সমুহে সদায় কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে| সেয়েহে উন্নয়ন মুলক কামৰ কাৰণে কেন্দ্ৰৰ সহায়ৰ আৱশ্যক| কেন্দ্ৰৰ পৰা দৰকাৰ মতে সহায় -সহযোগিতা নোপোৱা আঞ্চলিক দলৰ চৰকাৰে উন্নয়নমুলক কাম সমাধা কৰাত অসুবিধা পায়|

সৰ্বভাৰতীয় দল সমুহৰ লগত প্ৰতিযোগিতাত তিষ্ঠি থকাও আঞ্চলিক দলসমুহৰ আন এটা সমস্যা| সৰ্বভাৰতীয় দলসমুহে কেন্দ্ৰৰ উপৰিও ৰাজ্যসমুহতো তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰাৰ চেষ্টা অব্যাহত ৰাখে| গতিকে সৰ্বভাৰতীয় দলৰ লগত প্ৰতিযোগিতা কৰি নিৰ্বাচনত জয়যুক্ত হোৱা সহজ নহয়| চৰকাৰ গঠনৰ জোখাৰে আসন লাভ কৰিব নোৱাৰিলে আঞ্চলিক দলে ৰাজ্যৰ প্ৰশাসনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে| কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থকা প্ৰচাৰমাধ্যম সমুহেও আঞ্চলিক দলতকৈ কেন্দ্ৰীয় চৰকাৰৰ আদৰ্শ আৰু নীতি প্ৰচাৰৰ ওপৰতহে গুৰুত্ব দিয়ে| গতিকে এনেবোৰ অসুবিধাৰ মাজত কোনো অঞ্চলত আঞ্চলিক দলে চৰকাৰ গঠন কৰাৰ সুবিধা লাভ কৰিলেও আঞ্চলিক দলৰ কাৰণে দীৰ্ঘম্যাদি নীতি গ্ৰহণ কৰি কাৰ্যকৰী কৰা সহজ নহয়|

আঞ্চলিক দলৰ ভৱিষৎ:-নেতৃত্বৰ প্ৰতি প্ৰতিযোগিতা, দলৰ প্ৰতি আনুগত্যৰ অভাৱ, শোষণ দুৰ্নীতিত লিপ্ততা, ভোটাৰ ৰাইজৰ স্বাৰ্থৰ প্ৰতি অনীহা আদিয়ে ৰাজনৈতিক দলসমুহৰ সম্ভাৱনাত বাধাৰ সৃষ্টি কৰে| আঞ্চলিক দলসমুহো ইয়াৰ ব্যতিক্ৰম নহয়| আঞ্চলিক দলৰ ভৱিষ্যতৰ কাৰণে দলৰ সদস্য সকলৰ মাজত একতা আৰু সংহতিৰ প্ৰয়োজন| দলৰ ভিতৰত যাতে উপদলৰ সৃষ্টি নহয় তাৰ প্ৰতি দলৰ সদস্য সকলে দৃষ্টি ৰখা প্ৰয়োজন| নেতৃত্বৰ প্ৰতি হাবিয়াসৰ ফলত দলৰ মাজত ভাঙোনৰ সৃষ্টি হয়; সেয়েহে নেতৃত্বৰ প্ৰতি আশা নকৰি সেৱাৰ মনোবৃত্তিৰে দলৰ কাৰ্য সম্পাদন কৰিব পাৰিলে দলে উদ্দেশ্যে সাধনত কৃতকাৰ্য হ’ব পাৰে|

দ্বিতীয়তে, দলৰ সদস্য সকলে দলীয় সিদ্ধান্তৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা উচিত| বিভিন্ন ব্যক্তি লগ লাগি যিহেতু এটা দলৰ সৃষ্টি হয়, দলীয় সিদ্ধান্ত গ্ৰহণত সদস্য সকলৰ মাজত মতভেদ হোৱা একো অস্বাভাৱিক নহয়| কিন্তু এই মতভেদৰ ফলত দলৰ সদস্য সকলৰ মাজত বিভাজনৰ সৃষ্টি কৰি উপদল গঠনৰ চেষ্টা চলাব নালাগে| দলৰ ভৱিষ্যতৰ কাৰণে দলীয় সিদ্ধান্তৰ প্ৰতি সদস্য সকলে সন্মতি জনাব লাগে| অৰ্থাৎ দলৰ সিদ্ধান্ত আৰু দলীয়

নেতাৰ প্ৰতি আনুগত্য থাকিলেহে দাৰ মাজত একতা আৰু সংহতি থাকিব পাৰে আৰু ঐক্যবদ্ধ দলীয় প্ৰচেষ্টাইহে দলৰ ভৱিষৎ উজ্জ্বল কৰিব পাৰে|

তৃতীয়তে, আঞ্চলিক দলৰ ভৱিষ্যতৰ কাৰণে দলৰ সদস্য সকলে শোষণ দুৰ্নীতি আদিত লিপ্ত হোৱাৰ পৰা আঁতৰত থকা উচিত| দলৰ ভাবমুৰ্তি নষ্ট কৰিব পৰা যিকোনো ধৰণৰ কামৰ পৰা দলৰ সদস্য সকল আঁতৰত থকা উচিত| প্ৰত্যেক দলেই জনসাধাৰণৰ মাজত নিজৰ নিজৰ দলৰ ভাবমুৰ্তি উজ্জ্বল কৰাৰ কাৰণে চেষ্টা কৰে| সেয়েহে আঞ্চলিক দলৰ ভৱিষ্যতৰ কাৰনে দলৰ সদস্য সকলে শোষণ দুৰ্নীতি আদিত লিপ্ত হৈ দলৰ বিৰুদ্ধে জনমত সৃষ্টি কৰিবলৈ আন দলক সুবিধা দিব নালাগে|

শেষত, দলৰ ভৱিষৎ নিৰ্ভৰ কৰে জনসাধাৰণৰ সন্মতিৰ ওপৰত| আঞ্চলিক দলো ইয়াৰ ব্যতিক্ৰম নহয়| কোন দলে চৰকাৰ গঠন কৰিব সেই কথা ভোটাৰ ৰাইজেহে সিদ্ধান্ত কৰে| গতিকে দলৰ ভৱিষ্যতৰ কাৰণে আঞ্চলিক দলৰ সদস্য সকলে সদায় জনসাধাৰণৰ সন্তুষ্টিৰ প্ৰতি লক্ষ্য ৰখা উচিত|

ওপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে আঞ্চলিক দলৰ ভৱিষ্যতৰ কাৰণে দলৰ সদস্য সকলৰ মাজত একতা আৰু সংহতি থকা প্ৰয়োজন| ক্ষমতা লাভ আৰু ক্ষমতা প্ৰয়োগৰ হাবিয়াসৰ পৰিৱৰ্তে সেৱাৰ মনোবৃত্তিৰে সদস্য সকলে নিজৰ নিজৰ দায়িত্ব পালন কৰা উচিত| সদস্য সকলে দলৰ ভাৱমুৰ্তি উজ্জ্বল কৰাৰ কাৰণে আৰু জনসাধাৰণৰ সন্তুষ্টিৰ কাৰণে যথোচিত নীতি আৰু আদৰ্শ গ্ৰহণ কৰা উচিত|

কেইটামান প্ৰধান আঞ্চলিক দল

ডি.এম.কে আৰু এ.ডি.এম.কে:-

তামিলনাডুৰ প্ৰধান আঞ্চলিক দল দুটা হৈছে ডি.এম.কে আৰু এ.ডি.এম.কে| তামিলনাডুত ব্ৰাহ্মণ বিৰোধী, উত্তৰ ভাৰত বিৰোধী আৰু হিন্দী বিৰোধী আন্দোলনৰ ফলস্বৰুপে এই দুটা আঞ্চলিক দলৰ সৃষ্টি হৈছিল| ১৯৪৯ চনত আন্নাডুৰাইৰ নেতৃত্বত ডি.এম.কে দল প্ৰতিষ্ঠা কৰা হৈছিল| দলীয় সংগঠন আৰু প্ৰচাৰ মাধ্যমৰ ওপৰত প্ৰভাৱ থকাৰ কাৰণে আন্নাডুৰাইৰ পিছত এই দলৰ নেতৃত্ব বহন কৰিছিল কৰুণানিধিয়ে| কিন্তু কৰুণানিধি আৰি চিত্ৰতাৰকা এম.জি.ৰামচন্দ্ৰনৰ মাজত মতভেদৰ সৃষ্টি হোৱাৰ ফলত এই দলত বিভাজনৰ সৃষ্টি হয় আৰু ৰামচন্দ্ৰনৰ নেতৃত্বত এ.ডি.এম.কে নামৰ আন এটা আঞ্চলিক দলৰ সৃষ্টি হয়| ১৯৭২ চনত এই দলটোৰ সৃষ্টি হৈছিল| পিছত এই দলটোক এ.আই.এ.ডি.এম.কে নামে নামাকৰণ কৰা হয়| সাম্প্ৰতিক কালত এই দল দুটাই তামিলনাডুৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি আছে| এই দল দুটাই এতিয়াও ব্ৰাহ্মণ বিৰোধী আৰু উত্তৰ ভাৰত বিৰোধী আদৰ্শ ত্যাগ কৰা নাই| হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে জাপি দিয়া নীতিৰো এই দল দুটাই বিৰোধিতা কৰি আহিছে| ৰামচন্দ্ৰনৰ মৃত্যুৰ পিছত এ.আই.এ.ডি.এম.কে দলত বিভাজনে দেখা দিয়ে| এটা ভাগৰ নেতৃত্ব বহন কৰিছিল চিত্ৰতাৰকা জয়াললিতাই| এই বিভাজনৰ ফলত তামিলনাডুত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল আৰু সেয়েহে ৰাষ্ট্ৰপতিৰ শাসন প্ৰয়োগ কৰিবলগা হৈছিল| পিছৰ নিৰ্বাচনত কৰুণানিধিৰ নেতৃত্বত ডি.এম.কে দলে চৰকাৰ গঠন কৰাৰ সুবিধা পাইছিল|

পৰৱৰ্তী কালত তামিলনাডুত জয়াললিতাৰ নেতৃত্বত এ.আই.এ.ডি.এম.কে দলৰ চৰকাৰে শাসনকাৰ্য পৰিচালনা কৰিছিল|১৯৬৭ চনৰ পৰা ডি.এম.কে আৰু এ.আই.এ.ডি.এম.কে- এই দুটা ৰাজনৈতিক দলেই এটাৰ পিছত এটাকৈ তামিলনাডুৰ শাসনকাৰ্য পৰিচালনা কৰি আহিছে| ১৯৬৭ চনৰ পৰা ১৯৭৬ চনলৈ ক্ৰমে আন্নাডুৰাই আৰু কৰুণানিধিৰ নেতৃত্বত ডি.এম.কে দলে এই ৰাজ্যৰ শাসনকাৰ্য পৰিচালনা কৰিছিল| ১৯৭৭ চনৰ পৰা ১৯৮৭ চনলৈ এম.জি.ৰামচন্দ্ৰনৰ নেতৃত্বত এ.আই.এ.ডি.এম.কে দলে এই ৰাজ্যৰ শাসনৰ দায়িত্ব বহন কৰিছিল| এই দলৰ মুখ্যমন্ত্ৰী আছিল চিত্ৰতাৰকা এম.জি.ৰামচন্দ্ৰন| ৰাজ্যৰ জনসাধাৰণৰ সমৰ্থন লাভ কৰাৰ উদ্দেশ্যে দুটা দলেই কংগ্ৰেছৰ লগত সহযোগিতা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি আহিছে| কংগ্ৰেছ দলেও কেন্দ্ৰীয় বিধানমণ্ডলৰ

নিৰ্বাচনত জয়লাভ কৰাৰ আশাত দুইটা দলৰ ভিতৰত যিকোনো এটা দলৰ লগত নিৰ্বাচনী মিত্ৰতা স্থাপন কৰিছিল| দুটা দলেই ৰাজ্যৰ কাৰণে বেছি পৰিমাণৰ বিত্তীয় ক্ষমতা বিচাৰে| ১৯৮৭ চনত ৰামচন্দ্ৰনৰ মৃত্যু হোৱাৰ পিছত দলত অস্থিৰতাৰ সৃষ্টি হৈছিল| তাৰ পাছত এবছৰ কাল ৰামচন্দ্ৰনৰ পত্নী জানকী ৰামচন্দ্ৰন মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হয়| পৰৱৰ্তী সময়ত ২০১১ চন পৰ্যন্ত এম.কৰুণানিধি তিনিটা আৰু জয়াললিতা চাৰিটা কাৰ্যকালৰ বাবে তামিলনাডুৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছে|দুটা দলেই তামিলসকলৰ ভাষা-সংস্কৃতি ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব দিয়ে| এই দলৰ চৰকাৰেই ৰাজ্যখনৰ নাম মাদ্ৰাজৰ পৰিৱৰ্তে তামিলনাডু কৰিছে| বিখ্যাত তামিল লেখক কিছুমানৰ মৰ্যাদাও এই দল দুটাই বৃদ্ধি কৰিছে আৰু ধৰ্মগ্ৰন্থ সমুহৰ ভিতৰত তামিল বেদক সন্মানজনক আসন দিছে| কিন্তু একমাত্ৰ স্থানীয় ভাষা আৰু লোকৰ উন্নতিৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত আন দিশত এই ৰাজ্য বিশেষ ভাৱে আগবাঢ়িব পৰা নাই|

দুটা দলেই সমাজবাদী আৰু গণতান্ত্ৰিক দৃষ্টিভংগী সমৰ্থন কৰে| দুখীয়া আৰু সমাজৰ পিছ পৰা শ্ৰেণীৰ লোকৰ উন্নতিৰ ওপৰত দুটা দলেই গুৰুত্ব দিয়ে| ভুমিৰ উচ্চতম সীমা নিৰ্ধাৰণ কৰা, সামগ্ৰীৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ প্ৰত্যাহাৰ কৰা, পিছ পৰা শ্ৰেণীৰ লোকৰ প্ৰতি সহায়-সহযোগিতা আগবঢ়োৱা, লেতেৰা অঞ্চল সমুহ পৰিস্কাৰ কৰা, গাঁও অঞ্চলৰ লোকৰ কাৰণে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা আদি নীতিৰ প্ৰতি দুটা দলৰ সমৰ্থন আছে| কৃষক শ্ৰেণীৰ লোকক আৰ্থিক সাহায্য দিয়া আৰু ঋণদান কৰাৰ উদ্দেশ্যে এই চৰকাৰে প্ৰয়োজনীয় বিধি-বিধান ৰচনা কৰিছে| স্থানীয় ল'ৰা ছোৱালীক দুপৰীয়াৰ আহাৰ যোগান ধৰা, বৃদ্ধ সকলক পেন্সন দিয়া, শাৰী বিতৰণ কৰা আদি নীতিও এই চৰকাৰে গ্ৰহণ কৰিছে| দুটা দলেই উচ্চ শ্ৰেণীৰ অ-ব্ৰাহ্মণ লোকৰ সমৰ্থনৰ ওপৰত গুৰুত্ব দি আহিছে| জমিদাৰ শ্ৰেণীৰ লোকৰ ভু-সম্পত্তিৰ নিৰাপত্তা দিয়া নীতিও দুটা দলেই সমৰ্থন কৰে| প্ৰয়াত মুখ্যমন্ত্ৰী ৰামচন্দ্ৰন আৰু জয়ললিতা চিত্ৰতাৰকা হোৱাৰ কাৰণে চিনেমাপ্ৰেমী সকলৰ পৰা এ.আই.ডি.এম.কে দলে সমৰ্থন লাভ কৰি আহিছে| অৱশ্যে সামাজিক কল্যাণমুলক আঁচনিৰ পৰা উপকাৰ পোৱা দুখীয়া শ্ৰেণীৰ লোকৰ পৰাও এই দলে সমৰ্থন পাই আহিছে|

তেলেগু দেশম:-

আমাৰ দেশৰ আঞ্চলিক দলসমুহৰ ভিতৰত অন্ধ্ৰপ্ৰদেশৰ তেলেগু দেশম হৈছে অন্যতম| ১৯৮২ চনত এন.টি.ৰামৰাওৰ নেতৃত্বত এই দলটো প্ৰতিষ্ঠা কৰা হৈছিল| সেই সময়ত অন্ধ্ৰপ্ৰদেশৰ শাসনৰ বিষয়ত বেমেজালিৰ সৃষ্টি হৈছিল আৰু কেন্দ্ৰীয় চৰকাৰেও এই ৰাজ্যখনৰ প্ৰতি সহানুভুতিসুচক মনোভাৱ গ্ৰহণ কৰা নাছিল| ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে নিজৰ ইচ্ছামতে এই ৰাজ্যৰ মুখ্যমন্ত্ৰী নিৰ্বাচন কৰি দিয়াৰ ফলত ৰাজ্যখনৰ স্বায়ত্ব শাসনত বাধাৰ সৃষ্টি হৈছিল| কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মতেহে সেই সময়ৰ চৰকাৰে কাৰ্যনিৰ্বাহ কৰিছিল| সেয়েহে ছয় কৌটি তেলেগু লোকৰ আত্মসন্মান ৰক্ষা কৰাৰ উদ্দেশ্যে আৰু মুল্যবোধজড়িত ৰাজনৈতিক শাসন প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ৰামৰাওৰ নেতৃত্বত এই দলটো গঠন কৰা হৈছিল| ৰামাৰাও আছিল এজন বোলছবিৰ ভাল অভিনেতা| সেয়েহে অন্ধ্ৰৰ জনসাধাৰণৰ ওপৰতো তেওঁৰ প্ৰভাৱ আছিল| ১৯৮৩ চনৰ নিৰ্বাচনত এই দলে সংখ্যাগৰিষ্ঠতা লাভ কৰি অন্ধ্ৰত চৰকাৰ গঠনৰ সুবিধা পাইছিল| ১৯৮৪ চনত এই দলৰ কিছুমান সদস্যই দলত্যাগ কৰাৰ ফলত ৰামাৰাওৰ পৰিৱৰ্তে ভাস্কৰ ৰাওক মুখ্যমন্ত্ৰী হিচাপে নিয়োগ কৰা হৈছিল| এই ঘটনাই সমগ্ৰ ৰাজ্যখনতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ ফলত আন্দোলন আৰম্ভ হৈছিল| কিন্তু ভাস্কৰ ৰাওৱে সদনত নিজৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব নোৱাৰাত ৰামাৰাওক পুনৰ মুখ্যমন্ত্ৰী হিচাপে নিযুক্ত কৰা হৈছিল| ১৯৮৪ চনত ৰামাৰাওৱে পদত্যাগ কৰাৰ ফলত ইয়াৰ পিছৰ বছৰত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল আৰু এই নিৰ্বাচনত তেলেগু দেশম দলে সদনত বিপুল সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হৈছিল| ৰামাৰাওক পুনৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰা হৈছিল| লোকসভাৰ নিৰ্বাচনতো তেলেগু দেশম দলে ভালেমান আসন লাভ কৰিছিল| ৰামাৰাওৱে স্বেচ্ছাচাৰী হিচাপে শাসনকাৰ্য পৰিচালনা কৰিছিল যদিও তেওঁৰ দলে ৰাজ্যৰ জনসাধাৰণৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল| ৰামাৰাওৰ পিছত এই দলত ভাঙোনৰ সৃষ্টি হৈছিল| তেওঁৰ

পত্নী লক্ষ্মী পাৰ্বতীয়ে দলৰ নেতৃত্ব বহন কৰিছিল যদিও নিৰ্বাচনত লক্ষ্মী পাৰ্বতীৰ দলে পৰাজয় বৰণ কৰিবলগা হৈছিল| ৰাজ্যৰ আভ্যন্তৰীণ উন্নতিৰ উপৰিও কেন্দ্ৰীয় পৰ্যায়তো এই দলে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছে|ৰামাৰাওৰ শাসনকালত তেলেগু দেশম আছিল ব্যক্তিকেন্দ্ৰীক দল| চৰকাৰ আৰু দলৰ সকলো ক্ষমতা তেওঁৰ হাততেই আছিল| বাস্তৱ ক্ষেত্ৰত এজন কৃতকাৰ্য বোলছবিৰ অভিনেতা হিচাবেহে তেওঁ ক্ষমতা লাভ কৰিব পাৰিছিল| সেই সময়ত প্ৰকৃতাৰ্থত তেলেগু দেশম এটা ৰাজনৈতিক দল নাছিল; ই আছিল অভিনেতাই নেতৃত্ব বহন কৰা কিছুমান ব্যক্তিৰ সমষ্টি| অৱশ্যে অভিনেতা মন্ত্ৰী হোৱাৰ উদাহৰণ নথকা নহয়| তামিলনাডুৰো অভিনেতা হিচাবেহে ৰামচন্দ্ৰনে এ.আই.ডি.এম.কে দলৰ নেতৃত্ব বহন কৰি মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিছিল|ভোটাৰ ৰাইজক আকৰ্ষণ কৰিব পৰা সন্মোহিনী শক্তি থকাৰ ফলত ৰামাৰাও আৰু তেওঁৰ দলে নিৰ্বাচনত কৃতকাৰ্যতা লাভ কৰিব পাৰিছিল| আনকি তেওঁৰ বিৰোধিতা কৰা ভাস্কৰ ৰাওৱেও ৰামাৰাওৰ এই গুণ স্বীকাৰ কৰিছিল| সাম্প্ৰতিক কালত এই দলৰ নেতা চন্দ্ৰবাবু নাইডুৱে এই দলৰ কৃতকাৰ্যতাত ভালেখিনি বৰঙণি যোগাই আহিছে|

জনসাধাৰণৰ উমৈহতীয়া কল্যাণ সাধন কৰাৰ উদ্দেশ্যে এই দলে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে| সেই ব্যৱস্থাসমুহেও এই দলক জনপ্ৰিয় কৰাত সহায় কৰিছে| এই দলে গ্ৰহণ কৰা নীতি আৰু কাৰ্যসূচীৰ ভিতৰত দেশৰ জনসাধাৰণৰ ভিতৰত বিশেষকৈ গাঁও অঞ্চলৰ লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা, প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে দুপৰীয়া বিনামুলীয়া আহাৰ যোগান ধৰা, ৰাজ্যৰ কাৰণে অধিক ক্ষমতা দাবী কৰা, মহিলা সকলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা| তেলেগু ভাষাক ৰাজ্যিক মৰ্যাদা দিয়া, চৰকাৰী ধন খৰচ কৰাৰ বিষয়ত মিতব্যয়ীতা অৱলম্বন কৰা, শাসনত দুৰ্নীতি ৰোধ কৰা, নিৱনুৱা সকলক ভাট্টা দিয়া, বৃদ্ধ সকলক পেন্সন দিয়া আৰু পিছ পৰা সম্প্ৰদায়ৰ লোকৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা আদিয়ে প্ৰধান|

২০০৪ চনৰ নিৰ্বাচনৰ আগলৈকে চন্দ্ৰবাবু নাইডুৰ নেতৃত্বৰ এই দলে ৰাজ্যৰ আভ্যন্তৰীণ উন্নতি সাধন কৰাৰ উপৰিও কেন্দ্ৰীয় পৰ্যায়তো এই দলে প্ৰভাৱ বিস্তাৰ কৰাৰ সুযোগ লাভ কৰিছিল|কিন্তু ২০০৪ আৰু ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনত এই দলে শোচনীয় ভাৱে পৰাজয়বৰণ কৰাত ৰাজ্য আৰু কেন্দ্ৰৰ ৰাজনীতিত এই দলৰ প্ৰভাৱ কমি আহিছে|

নেচনেল কনফাৰেন্স

কাশ্মীৰৰ হিন্দু আৰু মুছলমান কিছুমানৰ সহযোগিতাত শ্বেখ আব্দুল্লাই নেচনেল কনফাৰেন্স নামৰ আঞ্চলিক দলতো প্ৰতিষ্ঠা কৰিছিল| এই দলে এতিয়ালৈকে কাশ্মীৰৰ আশা-আকাংক্ষাৰ বিষয়ে অভিমত প্ৰকাশ কৰি আহিছে| আব্দুল্লাৰ জীৱনৰ উত্থান আৰু পতনৰ লগত জড়িত থকা এই দলটোৰ বিভিন্ন সময়ত উত্থান-পতন হৈ থকা দেখা যায়| ১৯৮৩ চনৰ নিৰ্বাচনত শ্বেখ আব্দুল্লাই পুতেক ফাৰুক আব্দুল্লাৰ নেতৃত্বত এই দলে কাশ্মীৰত চৰকাৰ গঠন কৰাৰ সুবিধা পাইছিল| কিন্তু জাতি বিদ্বেষী কামত লিপ্ত হোৱাৰ অভিযোগত এই চৰকাৰক পদচ্যুত কৰি ১৯৮৪ চনৰ আগষ্ট মাহৰ পৰা ১৯৮৭ চনৰ মাৰ্চ মাহলৈ কাশ্মীৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰয়োগ কৰা হৈছিল| কিন্তু পিছত কংগ্ৰেছ আৰু  এই দলৰ মাজত সহযোগিতাৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত ফাৰুক আব্দুল্লাৰ নেতৃত্বত কংগ্ৰেছ আৰু নেচনেল কনফাৰেন্সৰ সদস্যক লৈ সংযুক্ত চৰকাৰ গঠন কৰা হৈছিল|

কাশ্মীৰ উপত্যকাত নেচনেল কনফাৰেন্সৰ ভালেখিনি প্ৰভাৱ আছে| অৰ্থাৎ এই উপত্যকাত এই দলটোৱে হৈছে শক্তিশালী দল| অৱশ্যে জম্মু অঞ্চলত কংগ্ৰেছৰ আধিপত্য আছে| দুটা দলৰেই বিভিন্ন এলেকাত নিজৰ নিজৰ প্ৰভাৱ আছে| তথাপিও নেচনেল কনফাৰেন্সে কাশ্মীৰ উপত্যকাৰ মুছলমান সকলৰ পৰা সমৰ্থন লাভ কৰে| এই দলৰ লগত কাশ্মীৰৰ মুছলমান সকলৰ আৱেগিক অনুভূতি জড়িত আছে| কিয়নো এই দল প্ৰতিষ্ঠা কৰা ব্যক্তিজন আছিল কাশ্মীৰী মুছলমান| তেওঁ হৈছে শ্বেখ আব্দুল্লা| কাশ্মীৰে নিজৰ বৈশিষ্ট্য অটুট ৰাখিব বিচাৰে| কাশ্মীৰৰ শাসনৰ বিষয়ত কংগ্ৰেছ দলে অযথা হস্তক্ষেপ কৰাৰ ফলত কংগ্ৰেছে কাশ্মীৰত স্থায়ী চৰকাৰ গঠন কৰিব পৰা নাই| শ্বেখ আব্দুল্লা আৰু তেওঁৰ পুতেক ফাৰুক আব্দুল্লাক ক্ষমতাচ্যুত কৰিবলৈ চেষ্টা কৰা যিকোনো নীতি আৰু কাৰ্য কাশ্মীৰী সকলে সমৰ্থন নকৰে| নেচনেল কনফাৰেন্সৰ ক্ষমতাৰ আন এটা উৎস হৈছে এই যে এই

দলে ধৰ্মনিৰপেক্ষ নীতিত বিশ্বাস কৰে আৰু কাশ্মীৰক ভাৰতৰ এটা অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰে| কাশ্মীৰৰ কাৰণে বিশেষ মৰ্যাদা দাবী কৰাৰ কাৰণেও কাশ্মীৰী সকলে এই দলৰ প্ৰতি সমৰ্থন জনায়| বৰ্তমান সময়ত ওমৰ আব্দুল্লাৰ নেতৃত্বত ইয়াত নেচনেল কনফাৰেন্সৰ শাসনৰ দায়িত্ব বহন কৰি আছে|কাশ্মীৰত কিছুমান পাকিস্তানৰ সমৰ্থকো আছে| কেতিয়াবা কেতিয়াবা এই লোকসকলে নেচনেল কনফাৰেন্সৰ প্ৰতি সমৰ্থন জনায় আৰু কেতিয়াবা কেতিয়াবা এই দলৰ বিৰোধিতাও কৰে| ১৯৪৭ চনৰ পৰা ১৯৫৩ চনলৈ এই লোকসকলে শ্বেখ আব্দুল্লা আৰু নেচনেল কনফাৰেন্সৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল| ১৯৫৩ চনৰ পৰা ১৯৭৫ চনলৈ এই দলৰ প্ৰতি সমৰ্থন জনাইছিল| ১৯৭৫ চনৰ পিছত পুনৰ এই দলৰ বিৰোধিতা কৰিছে| আনকি ফাৰুক আব্দুল্লাই ধৰ্মনিৰপেক্ষতা আৰু কাশ্মীৰক ভাৰতৰ অংগ হিচাপে স্বীকাৰ কৰাৰ সময়তো তেওঁ এই বিষয়ত সতৰ্কতা অৱলম্বন কৰিবলগা হৈছিল| ফাৰুক আব্দুল্লা আৰু ৰাজীৱ গান্ধীৰ মাজত স্বাক্ষৰ হোৱা চুক্তি আৰু ইয়াৰ ফলত নিৰ্বাচনত ফাৰুক আব্দুল্লাই জয়লাভ কৰা কাৰ্যকো তেওঁলোকে সমৰ্থন কৰিব পৰা নাছিল|কংগ্ৰেছৰ লগত সহযোগিতা কৰি নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছে জয়লাভ কৰিছিল যদিও কিছুমানে সংযুক্ত মন্ত্ৰীসভাৰ প্ৰতি সমৰ্থন জনাব পৰা নাছিল| ফাৰুক আব্দুল্লাৰ মন্ত্ৰীসভাৰ কিছুমান সদস্যই সংযুক্ত মন্ত্ৰীসভা সমৰ্থন কৰিব পৰা নাছিল| তেওঁলোকে অনুভৱ কৰিছিল যে কংগ্ৰেছৰ ছত্ৰ-ছায়াত তেওঁলোকৰ প্ৰাধান্য ক্ৰমে নাইকিয়া হৈ আহিছে| দলৰ নেতৃস্থানীয় সদস্যৰ লগত আলোচনা নকৰাকৈ কাশ্মীৰ চুক্তি স্বাক্ষৰ কৰা কামকো তেওঁলোকে সমৰ্থন কৰিব পৰা নাছিল|এই বিষয়ত স্থানীয় কংগ্ৰেছ নেতা সকলেও অসন্তুষ্টি প্ৰকাশ কৰিছিল, কিয়নো এই চুক্তিয়ে কাশ্মীৰত কংগ্ৰেছ প্ৰাধান্য প্ৰতিষ্ঠাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল|

কাশ্মীৰৰ ৰাজনীতিত এতিয়াও নেচনেল কনফাৰেন্সে গুৰুত্বপুৰ্ণ ভুমিকা গ্ৰহণ কৰি আছে| এই দলে ধৰ্মনিৰপেক্ষতাৰ প্ৰতি সমৰ্থন জনায়| কাশ্মীৰক ভাৰতৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰে| ইয়াৰ উপৰিও সংবিধানত ৩৭০ নং অনুচ্ছেদ বাহাল ৰখাৰ প্ৰতি সমৰ্থন জনায়| অৰ্থাৎ এই দলে কাশ্মীৰৰ বিশেষ মৰ্যাদাৰ প্ৰতি সমৰ্থন জনায়| বৰ্তমান সময়ত ওমৰ আব্দুল্লাৰ নেতৃত্বত ইয়াত নেচনেল কনফাৰেন্সৰ শাসনৰ দায়িত্ব বহন কৰি আছে|

আকালি দল:-

আমাৰ দেশৰ আঞ্চলিক দলসমুহৰ ভিতৰত আকালি দল হৈছে আটাইতকৈ পুৰণি দল| আঞ্চলিক দলৰ ভিতৰত এই দলক কৃতকাৰ্য দল হিচাপেও অভিহিত কৰিব পাৰি| ১৯২৪ চনতেই এই দলৰ জন্ম হৈছিল| এই দলে শিখ সকলৰ প্ৰতিনিধিত্ব কৰে বুলি দাবী কৰে আৰু ৰাজনৈতিক ক্ষমতা লাভ কৰি শিখ সকলৰ স্বাৰ্থ ৰক্ষা কৰিব বুলি ঘোষণা কৰে| শিখৰ বাহিৰে আন লোকক এই দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা নহয়| সেয়েহে আকালি দলক সাম্প্ৰদায়িক দল হিচাপে অভিহিত কৰিব পাৰি| ধৰ্ম আৰু ভাষাৰ দোহাই দিয়া এই দলে ইংৰাজৰ শাসনকালত ভালেমান সুবিধা আদায় কৰিবলৈ সমৰ্থ হৈছিল| আনকি স্বাধীনতা লাভ কৰাৰ পিছত কংগ্ৰেছ চৰকাৰৰ পৰা ভালেমান সুবিধা আদায় কৰিছিল| পৰিস্থিতি আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে এই দলে নিজৰ আদৰ্শৰো সলনি কৰে| উদ্দেশ্যে সাধনৰ কাৰণে এই দলে সাংবিধানিক আৰু বৈপ্লৱিক- দুটা পদ্ধতিয়ে অৱলম্বন কৰে|প্ৰতিযোগিতামুলক ৰাজনীতিত আকালি দলৰ ভালেখিনি উত্থান আৰু পতন দেখা যায়| নিৰ্বাচনত পৰাজয়বৰণ কৰিলে এই দলে আন্দোলনৰ জৰিয়তে শিখসকলৰ স্বাৰ্থৰক্ষা কৰা নীতিৰ ওপৰত গুৰুত্ব দিয়ে| এই প্ৰস্ংগতে উল্লেখ কৰিব পাৰি যে আকালি দলৰ নেতাসকল সাধাৰণ শ্ৰেণীৰ লোক নহয়, তেওঁলোক হৈছে ধনী আৰি শিক্ষিত শ্ৰেণীৰ লোক| এই দলৰ নেতা সকলে ৰাজনীতি আৰু ধৰ্মৰ মাজত প্ৰভেদ বিচাৰি নাচায়; সাংস্কৃতিক কাম-কাজত এই দলে আবদ্ধ থাকিব নিবিচাৰে| বাস্তৱ ক্ষেত্ৰত আকালি দল হৈছে সাম্প্ৰদায়িক দল আৰু পঞ্জাৱৰ সাম্প্ৰদায়িক ৰাজনীতিয়ে এই দলক জীয়াই ৰাখিছে| এই দলে শিখ ধৰ্ম বিকাশৰ ওপৰত গুৰুত্ব দিয়ে| পঞ্জাৱত নাম কৰা শিখ সকলৰ স্বাৰ্থৰক্ষা কৰাই হৈছে এই দলৰ প্ৰধান উদ্দেশ্যে| সম্প্ৰদায়ৰ ভেটিত প্ৰতিষ্ঠিত হোৱাৰ কাৰণে প্ৰকৃতাৰ্থত এই দলক প্ৰকৃত আঞ্চলিক দল হিচাপে অভিহিত কৰিব নোৱাৰি| পঞ্জাৱত বাস কৰা সকলো লোকৰ স্বাৰ্থৰক্ষাৰ ওপৰত এই দলে গুৰুত্ব নিদিয়ে|আকালি দলে ভাষাৰ ভিত্তিত ১৯৬৬ চনত পঞ্জাৱ ৰাজ্য গঠনৰ সুবিধা পাইছিল যদিও এই দলে সকলো বোৰ শিখৰ ভোট লাভ কৰিব পৰা নাছিল| অৱশ্যে

‘Operation Blue Star’ আৰু Delhi Killings’ ৰ পিছত এই দলৰ জনপ্ৰিয়তা কিছুপৰিমাণে বৃদ্ধি হৈছিল আৰু সেয়েহে ১৯৮৫ চনৰ নিৰ্বাচনত ১১৫ খন আসনৰ ভিতৰত এই দলে ৭৩ খন আসন লাভ কৰি চৰকাৰ গঠন কৰিছিল|আকালি দলৰ প্ৰধান সমৰ্থক হৈছে খেতিয়ক শিখ সকল| এই দলৰ নেতৃত্ব বহন কৰে ধনী আৰু জমীদাৰ শ্ৰেণীৰ লোকে| আকালি দলৰ ওপৰত শিৰোমণি গুৰুদ্বাৰ প্ৰবন্ধক কমিটিৰ প্ৰভাৱ ভালেখিনি আছে| অৰ্থাৎ এই দলৰ ওপৰত এই কমিটিৰ নিয়ন্ত্ৰণ আছে|

দলৰ জন্মৰ পৰাই আকালি দলৰ দুটা প্ৰধান উদ্দেশ্যে আছিল| এই দলে শিখ সকলৰ ধৰ্ম, ভাষা আৰু সংস্কৃতি ৰক্ষাৰ ওপৰত গুৰুত্ব দি আহিছে| তেওঁলোকে হিন্দু সম্প্ৰদায়ৰ অংশ হিচাপে বিবেচনা নকৰে| দ্বিতীয়তে শিখ সকলৰ স্বকীয়তা ৰক্ষাৰ ওপৰত তেওঁলোকে গুৰুত্ব দি আহিছে| পৰিস্থিতি আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে তেওঁলোকে নিজৰ কৌশলৰো পৰিৱৰ্তন কৰি আহিছে| কেতিয়াবা হয়তো চৰকাৰৰ বিৰোধিতা কৰে আৰু কেতিয়াবা হয়তো চৰকাৰৰ প্ৰতি সমৰ্থন জনায়| কিন্তু উদ্দেশ্যৰ পৰা তেওঁলোক আঁতৰি যোৱা নাই| উদ্দেশ্যে সাধনৰ কাৰণে কেতিয়াবা এই দলে আন্দোলনৰ সহায় লয় আৰু কেতিয়াবা সাংবিধানিক উপায় অৱলম্বন কৰে| আন্দোলনমুখী কাম-কাজে দলৰ উদ্দেশ্যে সাধনত সহায় কৰি আহিছে| কিছুমান চিন্তাবিদৰ মতে আকালি দল হৈছে এটা বেলেগ ধৰণৰ দল| এই দলৰ উদ্দেশ্যে হৈছে শিখৰাজ্য পঞ্জাৱ শাসন কৰা| আকালি দলৰ কাৰ্যসূচীৰ ভিতৰত কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা, উৎপাদন আৰু বিতৰণৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰা, কৃষিৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া, নিৰ্দ্দিষ্ট পৰ্যায়লৈকে বিনামুলীয়া শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰা, দেশৰ ভিতৰত খাদ্য সামগ্ৰীৰ সৰবৰাহৰ বিষয়ত থকা বাধা নিষেধ আঁতৰ কৰা, পঞ্জাৱী ভাষাৰ প্ৰচলন থকা অঞ্চল সমুহ পঞ্জাৱ ৰাজ্যত অন্তৰ্ভুক্ত কৰা, ৰাজ্যসমুহক অধিক ক্ষমতা দিয়া আদিয়ে হৈছে প্ৰধান|আকালি দলে কিছুমান দাবী পুৰণৰ বিষয়ত কৃতকাৰ্যতা লাভ কৰিছে যদিও এই দলৰ দুৰ্বলতা নথকা নহয়| দেখাত বাৰনালা আৰু বাদল- এই দুটা ভাগ আছে যদিও এই দলত আৰু বিভিন্ন ভাগ থকা দেখা যায়| দুটা দলেই শিৰোমণি গুৰুদ্বাৰ প্ৰবন্ধক কমিটি আৰু Golden Tample-ৰ ওপৰত কৰ্তৃত্ব হেৰুৱাইছে| এই দুটা অনুষ্ঠানৰ ওপৰত সন্ত্ৰাসবাদী সকলৰ নিয়ন্ত্ৰণ প্ৰতিষ্ঠা হোৱাৰ ফলত এই দল ভালেখিনি দুৰ্বল হৈ আহিছে| বৰ্তমান প্ৰকাশ সিং বাদলৰ নেতৃত্বত পঞ্জাৱত শিৰোমণি আকালি দলে শাসনৰ দায়িত্ব বহন কৰি আছে|

অসম গণ পৰিষদ:

অসমৰ আঞ্চলিক দল বুলিলে সাধাৰণতে “অসম গণ পৰিষদক” বুজায়| এই দলৰ কেইজনমান সদস্যই গণ পৰিষদ ত্যাগ কৰি “নতুন অসম গণ পৰিষদ” নামৰ আন এটা আঞ্চলিক দলৰ সৃষ্টি কৰিছিল যদিও “নতুন অসম গণ পৰিষদে” ৰাজ্যখনৰ শাসনৰ বিষয়ত কোনো গুৰুত্বপুৰ্ণ ভুমিকা গ্ৰহণ কৰিব পৰা নাই| সাম্প্ৰতিক কালত আঞ্চলিক ৰাজনৈতিক দলসমুহ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ অংগ হৈ উঠিছে| জাতীয় ৰাজ্যিক আৰু স্থানীয় ৰাজনীতিত আঞ্চলিক দলসমুহে গুৰুত্বপুৰ্ণ ভুমিকা গ্ৰহণ কৰি আহিছে|

বিভিন্ন ৰাজনৈতিক সমস্যাৰ পৰিপ্ৰেক্ষিতত ১৯৮৫ চনৰ শেষ ভাগত “অসম গণ পৰিষদ” নামৰ আঞ্চলিক দল এটাৰ অসমত সৃষ্টি হৈছিল| ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ প্ৰায় ছয় বছৰ কাল “অসম ছাত্ৰ সন্থা”ৰ তত্ত্বাবধানত “বিদেশী বহিস্কাৰ আন্দোলন” চলিছিল| এই আন্দোলনৰ সময়ছোৱাত “ছাত্ৰ সন্থাৰ” সভাপতি আৰু সম্পাদক আছিল ক্ৰমান্বয়ে প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকন| প্ৰায় ছয় বছৰ “বিদেশী বহিস্কাৰ আন্দোলন” চলাৰ পিছত ১৯৮৫ চনৰ আগষ্ট মাহত “অসম চুক্তি” স্বাক্ষৰ কৰা হৈছিল আৰু এই চুক্তি স্বাক্ষৰ হোৱাৰ পিছত “বিদেশী বহিস্কাৰ আন্দোলন” সাময়িকভাৱে স্থগিত ৰখা হৈছিল| ১৯৮৫ চনৰ অক্টোবৰ মাহত “অসম গণ পৰিষদ” নামৰ আঞ্চলিক ৰাজনৈতিক দলটোৰ জন্ম হৈছিল আৰু পিছত সাধাৰণ নিৰ্বাচনত “অসম গণ পৰিষদে” অসমত চৰকাৰ গঠনৰ সুবিধা পাইছিল|

অসমৰ খিলঞ্জীয়া লোকসকলৰ উপৰিও বিভিন্ন জনগোষ্ঠীৰ লোকৰ পৰা এই দলে সমৰ্থন লাভ কৰিছিল|

অসমীয়া লোকৰ উপৰিও ভৈয়ামৰ জনজাতিৰ লোক, বাগিছাত কাম কৰা বনুৱা, অসমত স্থায়ীভাৱে বসবাস কৰা মুছলমান, বঙালী হিন্দু আৰু বঙালী মুছলমান লোক কিছুমানেও এই দলৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল| ফলত নিৰ্বাচনত "অসম গণ পৰিষদে" অসম বিধানসভাৰ ৬৪ খন আসন লাভ কৰিবলৈ সক্ষম হৈছিল|

"অসম গণ পৰিষদ" চৰকাৰে "অসম চুক্তি" কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল| কিন্তু "অসম চুক্তিয়ে" বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ থকা নাছিল| "গণ পৰিষদে" গনতন্ত্ৰ, সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ প্ৰতিও সমৰ্থন জনাইছিল| "গণ পৰিষদ" চৰকাৰে "এখন নতুন অসম" গঢ়ি তোলাৰ আশ্বাস দিছিল| এখন শ্ৰেণীহীন সমাজ গঠনৰ তেওঁলোকে আশ্বাস দিছিল| অসম এনে এখন ৰাজ্য হ'ব য'ত সকলো লোকে কামৰ সুবিধা পাব আৰু ইয়াৰ ফলত এখন প্ৰগতিশীল সমাজৰ সৃষ্টি হব| অসমত বিভিন্ন জাতি, গোষ্ঠী আৰু ভাষাৰ লোক বাস কৰে| অসমীয়া লোকৰ উপৰিও অসমত বঙালী, অনুসুচীত জনজাতি, বিহাৰী, নেপালী, স্থানীয় মুছলমান আৰু আন দেশৰ পৰা প্ৰবজন কৰা মুছলমান লোক কিছুমানো বাস কৰে| ভৈয়াম আৰু পাহাৰ অঞ্চলৰ জনজাতিৰ লোকসকলৰ নিজৰ ভাষা-সংস্কৃতি আছে আনহাতে কেইখনমান জিলাত বঙালী লোকসকলৰ শক্তিশালী অৱস্থাও আছে| সেয়েহে বিভিন্ন জাতি, ভাষা আৰু গোষ্ঠীৰ লোক বাস কৰা অসমৰ সকলো শ্ৰেণীকে সন্তুস্ত কৰা সহজ নহয়| জনজাতীয় লোক আৰু সংখ্যালঘুসকলেও "গণ পৰিষদৰ" ওপৰত আস্থা স্থাপন কৰা নাই| এসময়ত "ছাত্ৰ সন্থাৰ" যিসকল লোকে নেতৃত্ব বহন কৰিছিল, তেওঁলোকেই হৈছে "গণ পৰিষদৰো" নেতা| সেয়েহে "বিদেশী বহিস্কাৰ আন্দোলনৰ" গুৰি ধৰা এই নেতাসকলৰ প্ৰতি সংখ্যালঘু শ্ৰেণীৰ সক্ৰিয় সমৰ্থন নাই| এই শ্ৰেণীৰ লোকৰ বিশ্বাস যে "গণ পৰিষদে" অকল হিন্দু সকলৰ স্বাৰ্থ ৰক্ষাৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে|

"গণ পৰিষদে" "অসম চুক্তি" কাৰ্যকৰী কৰাৰ ওপৰত বেছি গুৰুত্ব দি আহিছে| এই দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ উভয়ে বহন কৰিব লাগিব| কিন্তু, সাম্প্ৰতিক কালত বিভিন্ন কাৰণত "অসম গণ পৰিষদ" আৰু "অসম ছাত্ৰ সন্থা" ৰ মাজত মতভেদৰ সৃষ্টি হোৱা দেখা যায়| ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত "অসম গণ পৰিষদ" আৰু "অসম ছাত্ৰ সন্থা"ই নিজৰ নিজৰ দৃষ্টিভংগী সলনি কৰি দেশৰ স্বাৰ্থৰ কাৰণে কাম কৰা উচিত|

আগতেই উল্লেখ কৰা হৈছে যে, ১৯৮৫ চনৰ অক্টোবৰ মাহত "অসম গণ পৰিষদ" নামৰ এই আঞ্চলিক দলটোৰ সৃষ্টি হৈছিল| সেই বছৰতে অসমৰ বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু এই নিৰ্বাচনত "অসম গণ পৰিষদ" দলে অসম বিধানসভাত নিৰ্‌ংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰাৰ সুবিধা পাইছিল| প্ৰফুল্ল মহন্তৰ নেতৃত্বত "অসম গণ পৰিষদে" চৰকাৰ গঠন কৰিছিল| "গণ পৰিষদ" চৰকাৰে নিকা, শোষণ-দুৰ্নীতিমুক্ত চৰকাৰ প্ৰতিষ্ঠা কৰিব বুলি আশ্বাস দিছিল| কিন্তু "গণ পৰিষদ" চৰকাৰৰ শাসনকালত শোষণ-দুৰ্নীতি কমি যোৱাৰ পৰিৱৰ্তে বাঢ়িহে গৈছিল| অসমৰ ভোটাৰ ৰাইজে যি আশাত গণ পৰিষদ দলক চৰকাৰ গঠনৰ সুবিধা দিছিল, জনসাধাৰণৰ সেই আশা-আকাংঙ্খা চৰকাৰে পুৰণ কৰিব পৰা নাছিল| ইয়াৰ ফলত, "অসম গণ পৰিষদৰ" চৰকাৰৰ প্ৰতি অসমৰ ভোটাৰ ৰাইজৰ আস্থা ক্ৰমান্বয়ে কমি আহিছিল| সেয়েহে শোষণ, দুৰ্নীতি, দলীয় বিভাজন, ৰাজ্যৰ বিভিন্ন সমস্যা সমাধান কৰাত ব্যৰ্থতা আদি বিভিন্ন কাৰণত ১৯৯১ চনৰ নিৰ্বাচনত "অসম গণ পৰিষদ" দলে চৰকাৰ গঠনৰ সুবিধা পোৱা নাছিল| কিন্তু, ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত "অসম গণ পৰিষদ" দলে অসমত পুনৰ ক্ষমতা লাভ কৰাৰ সুযোগ পাইছিল| চি-পি-আই, চি-প-এম আদি দলৰ সহায়ত এই দলে চৰকাৰ গঠন কৰিছিল| আগৰ ভুল-ভ্ৰান্তিবোৰ আঁতৰাই অসমৰ জনসাধাৰণে সম্মুখীন হোৱা সমস্যাবোৰ সমাধান কৰাৰ আশ্বাস দিয়াৰ কাৰণে অসমৰ ভোটাৰ ৰাইজে "অসম গণ পৰিষদক" পুনৰ চৰকাৰ গঠনৰ সুবিধা দিছিল| কেন্দ্ৰত চৰকাৰ গঠন কৰাৰ বিষয়তো "গণ পৰিষদৰ" অৰিহণা আছিল| প্ৰথমবাৰৰ কাৰণে "গণ পৰিষদৰ" দুজন সদস্যই কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান পাইছিল| কিন্তু, এই কাৰ্যকালৰ ভিতৰতো "অসম গণ পৰিষদে" ভোটাৰ ৰাইজক সন্তুষ্ট কৰিব পৰা নাছিল| শোষণ, দুৰ্নীতি, ব্যভিচাৰ আদিৰ ফলত এই দলৰ চৰকাৰৰ প্ৰতি জনসাধাৰণৰ আস্থা নাইকিয়া হৈ আহিছিল| সেয়েহে ২০০১ চনত অনুষ্ঠিত হোৱা ৰাজ্যৰ সাধাৰণ নিৰ্বাচনত এই দলে পৰাজয়বৰণ কৰিছিল| ২০০৪ চনত সংসদীয় নিৰ্বাচনত এই দলে দুখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে| ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এই দলে কিছু পৰিমাণে জনপ্ৰিয়তা পুনৰ লাভ কৰিবলৈ সক্ষম হৈছে|

২০০৬ চনৰ অসম বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ আগমুহুৰ্তলৈকে অসম গণ পৰিষদ দল আৰু ইয়াৰ সহযোগী দলবিলাকে অসমত এইবাৰ চৰকাৰ গঠন কৰাৰ আশা পোষণ কৰিছিল| এই দলৰ সৰহসংখ্যক নেতাই নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰিব বুলি ভাবিছিল| কিন্তু এইবাৰ অসম গণ পৰিষদ দলে বিধানসভাত ২৪ খন আসনহে লাভ কৰিব পাৰিছে| এই দলৰ সহযোগী দলবিলাক নিৰ্বাচনত শোচনীয় ভাৱে পৰাজিত হৈছে| অসম গণ পৰিষদ দলৰ ভিতৰুৱা খেলিমেলি আৰু দলৰ গঠনেও ইয়াৰ অৱস্থা শোচনীয় কৰিছে| অসম গণ পৰিষদ দলত এতিয়াওদলৰ নেতৃত্বৰ সংকট অব্যাহত আছে| এই দলৰ সভাপতি শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী আছিল আৰু এই দলে অসম বিধানসভাত বিৰোধী দলৰ ভুমিকা গ্ৰহণ কৰিছিল|২০০৯ চনৰ পঞ্চদশ লোকসভাৰ সাধাৰণ নিৰ্বাচনত অসম গণ পৰিষদ দলে ৰাষ্ট্ৰীয় দল ভাৰতীয় জনতা দলৰ সৈতে প্ৰাক্ নিৰ্বাচনী মিত্ৰতাৰে নিৰ্বাচনত ৬ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি মাত্ৰ এখন আসনত জয়লাভ কৰিবলৈ সক্ষম হয়|

২০১১ চনৰ বিধানসভা নিৰ্বাচনত দলে শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ৪ আৰু ১১ এপ্ৰিল তাৰিখত দুটা পৰ্যায়ত নিৰ্বাচনত অংশ গ্ৰহণ লৰিছিল| কিন্তু এই নিৰ্বাচনত এই দলে শোচনীয় পৰাজয়বৰণ কৰে| এই দলে মাত্ৰ ১০ খন আসনতহে জয়লাভ কৰে|

সমালোচনা:- ১৯৮৫ চনৰ নিৰ্বাচনত “অসম গণ পৰিষদে” নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰাৰ সুযোগ পাইছিল| ১৯৯১ চনৰ নিৰ্বাচনত এই দলে পৰাজয়বৰণ কৰি বিৰোধী দলৰ ভুমিকা গ্ৰহণ কৰিছিল| ১৯৯৬ চনৰ নিৰ্বাচনত “অসম গণ পৰিষদ” দলে আন দলৰ সহায়তহে চৰকাৰ গঠন কৰিব পাৰিছিল| ২০০১ চনৰ নিৰ্বাচনত এই দলৰ ভালেমান মন্ত্ৰীপৰ্যায়ৰ লোকে পৰাজয়বৰণ কৰিছিল আৰু এই দলে বিৰোধী পক্ষৰ স্থান লাভ কৰিছিল| এই চাৰিটা সাধাৰণ নিৰ্বাচনৰ বিষয়ে বিশ্লষণ কৰিলে দেখা যায় যে “অসম গণ পৰিষদৰ” জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি আহিছে| ইয়াৰ কাৰণ হৈছে তলত দিয়া ধৰণৰ-

১) “অসম গণ পৰিষদ” দলৰ বেছিভাগ নেতাই ছাত্ৰ আছিল আৰু “বিদেশী বহিস্কাৰ আন্দোলনত” অংশ গ্ৰহণ কৰি “গণ পৰিষদ” দলৰ সদস্যভুক্ত হৈছিল| দেশ শাসন কৰাৰ অভিজ্ঞতা তেওঁলোকৰ নাছিল| অৰ্থাৎ ৰাজনীতিত আছিল এই দল সদস্য সকল নতুন| এনে অৱস্থাত, নিজৰ নিজৰ দায়িত্ব দক্ষতাৰে সম্পাদন কৰিব নোৱাৰাত একো আচৰিত হ’ব লগা নাই|

২) দেশ শাসন একপ্ৰকাৰ কলা-বিদ্যাৰ নিচিনা| কলা-বিদ্যাৰ জ্ঞান সকলো ব্যক্তিৰে নথকাৰ নিচিনা “গণ পৰিষদ” দলৰ কিছুমান সদস্যৰো দেশ শাসনৰ অভিজ্ঞতা নাছিল|

৩) ৰাজনীতি কৰা সহজ যদিও ৰাজনীতিবিদ হোৱা সহজ নহয়| ৰাজনীতিবিদ সকলে বৰ্তমানৰ উপৰিও ভৱিষ্যতৰ বিষয়ে চিন্তা কৰে| অৰ্থাৎ ৰাজনীতিবিদ সকলৰ দূৰদৰ্শিতাৰ প্ৰয়োজন| কোনো এটা নীতিয়ে জনসাধাৰণৰ মনৰ ওপৰত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে সেই বিষয়ে সতৰ্ক দৃষ্টি ৰাখিয়ে সিদ্ধান্ত গ্ৰহণ কৰা উচিত| অন্যথাই, ভোটাৰ ৰাইজৰ আস্থা হেৰুওৱাৰ সম্ভাৱনা থাকে| “গণ পৰিষদ” দলে এই দিশৰ ওপৰত গুৰুত্ব দিয়া নাছিল| সেয়েহে, এই দলৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি অহা দেখা যায়|

৪) শোষণ আৰু দুৰ্নীতিয়েও এই দলৰ জনপ্ৰিয়তা কমাই অনাত বৰঙণি যোগাইছে| কোনো অজন ব্যক্তি শোষণ, দুৰ্নীতি আদিত লিপ্ত হৈছে নেকি-সেইটো প্ৰমাণ কৰা টান কাম| কৌটিল্যই অৰ্থশাস্ত্ৰত উল্লেখ কৰা মতে, পানীত সাঁতুৰি থকা মাছে কেতিয়া পানী খায় আৰি কিমান পৰিমাণৰ পানী খায় সেই বিষয়ে প্ৰমাণ কৰা সহজ নহয়| সেইদৰে কোনো এজন ব্যক্তি শোষণত লিপ্ত হোৱাটো প্ৰমাণ কৰাও টান কাম| তথাপিও, এই দলৰ শাসনকালত শোষণ-দুৰ্নীতিয়ে যে ঠাই পাইছিল সেই বিষয়ে সন্দেহ নাই|

৫) দলৰ কৃতকাৰ্যতা আৰু ব্যৰ্থতা ভালেখিনি নিৰ্ভৰ কৰে গাঁও ভিত্তিত থকা সংগঠনৰ ওপৰত| এই সংগঠনে নিজৰ নিজৰ অঞ্চলৰ লোকৰ ওপৰত দলীয় প্ৰভাৱৰ সৃষ্টি কৰাৰ উপৰিও, চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ যোগসুত্ৰ হিচাবেও কাৰ্যনিৰ্বাহ কৰে| কিন্তু, “অসম গণ পৰিষদ” দলৰ গাঁও ভিত্তিত স্থায়ী আৰু শক্তিশালী

সংগঠনৰ অভাৱ| গাঁওভিত্তিত শক্তিশালী সংগঠনৰ অভাৱকো এই দলৰ এটা দুৰ্বলতা হিচাপে অভিহিত কৰিব পাৰি|

৬) শেষত, ৰাজ্যখনে সম্মুখীন হোৱা সমস্যা সমাধানত ব্যৰ্থ হোৱাৰ ফলতো এই দলৰ প্ৰতি জনসাধাৰণৰ আস্থা কমি আহিছে| উগ্ৰপন্থী সমস্যা সমাধানৰ বিষয়ত ৰাজনৈতিক পদ্ধতি অৱলম্বন নকৰি সৈন্যবাহিনী নিয়োগ কৰা কাৰ্য বহুতে সমৰ্থন কৰিব পৰা নাই| সেইদৰে, বড়ো সকলৰ সমস্যা সমাধান কৰাতো এই দলে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই| এইবোৰৰ উপৰিও অৰ্থনৈতিক অনগ্ৰসৰতা, নিৱনুৱা সমস্যা, বিদেশী প্ৰবজনৰ সমস্যা সমাধান কৰা ব্যৰ্থ প্ৰমানিত হোৱাৰ ফলতো এই দলৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি আহিছে| দলৰ সদস্য সকলৰ মাজত সৃষ্টি হোৱা মতভেদেও এই দলৰ জনপ্ৰিয়তা হেৰুওৱাৰ বৰঙণি নোযোগোৱাকৈ থকা নাই|

উৎস: ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা।